# অসম জাতীয় বিদ্যালয়
## Assam Jatiya Bidyalay

কৰ্ম মোৰ সংস্কৃতি

নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020

☎: 0361-2557921 (Principal)
0361-2654229 (Office)

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com


প্ৰসংগ :
*Ref :*

তাৰিখ :
*Date :*

## আন্তঃ জাতীয় বিদ্যালয় তৰ্ক প্ৰতিযোগিতা

**গুৱাহাটী, ৬ আগষ্ট, ২০১৮, সোমবাৰ :** অসম জাতীয় বিদ্যালয়ৰ ৰূপালী জয়ন্তী বৰ্ষৰ লগত সংগতি ৰাখি আন্তঃজাতীয় বিদ্যালয় ৰাজ্যিক (মূল) তৰ্ক প্ৰতিযোগিতাখন আগষ্ট মাহৰ ১৮ তাৰিখ শনিবাৰে নুনমাটিস্থিত অসম জাতীয় বিদ্যালয়ৰ প্ৰাংগণত অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। তৰ্ক প্ৰতিযোগিতাৰ বিষয় হৈছে — সদনৰ মতে, 'ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী (এনআৰচি)য়ে অসমৰ ভৱিষ্যত সুৰক্ষিত কৰিব।' (In the opinion of the house "The National Register of Citizens (NRC) will safeguard the future of Assam".) এই প্ৰতিযোগিতাখনত জিলাভিত্তিত ইতিমধ্যে অনুষ্ঠিত কৰা প্ৰাৰম্ভিক প্ৰতিযোগিতাত নিৰ্বাচিত শ্ৰেষ্ঠ প্ৰতিযোগীসকলেহে অংশ গ্ৰহণ কৰিব পাৰিব। নিৰ্বাচিত প্ৰতিযোগীসকলক ৯৮৬৪১১৪৮৫৩, ৯৮৬৪০৭৪৪৪১ নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনোৱা হ'ল। প্ৰতিযোগিতাৰ সবিশেষ তথ্য অসম জাতীয় বিদ্যালয়ৰ ৱেবছাইট www.assamjatiyabidyalay.comত উপলব্ধ কৰা হৈছে।

ঘনশ্যাম মেধি
(ঘনশ্যাম মেধি)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়


# অসম জাতীয় বিদ্যালয়
## Assam Jatiya Bidyalay

কৰ্ম মোৰ সংস্কৃতি

নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020

☎: 0361-2557921 (Principal)
0361-2654229 (Office)

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com


প্ৰসংগ :
*Ref :*

তাৰিখ : ০৬-০৮-২০১৮
*Date :* 06.08.2018

## নিয়মাৱলী/নিৰ্দেশনা

১। আন্তঃজাতীয় বিদ্যালয় তৰ্ক প্ৰতিযোগিতাখন ১৮ আগষ্ট, শনিবাৰে নুনমাটিস্থিত অসম জাতীয় বিদ্যালয়ৰ চৌহদত অনুষ্ঠিত হ'ব। প্ৰতিযোগিতা পুৱা ৯.৩০ বজাৰ পৰা অনুষ্ঠিত হ'ব।

২। আন্তঃজাতীয় বিদ্যালয় তৰ্ক প্ৰতিযোগিতাৰ বাবে নিৰ্বাচিত বিষয় হৈছে, সদনৰ মতে, 'ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী (এনআৰচি)য়ে অসমৰ ভৱিষ্যত সুৰক্ষিত কৰিব।' (In the opinion of the house "The National Register of Citizens (NRC) will safeguard the future of Assam".)

৩। প্ৰতিযোগীসকলে অসমীয়া বা ইংৰাজী যিকোনো মাধ্যমতে নিজৰ বক্তব্য আগবঢ়াব পাৰিব।

৪। প্ৰতিযোগীয়ে নিজৰ বক্তব্য আগবঢ়াবলৈ ৩ মিনিটকৈ সময় লাভ কৰিব।

৬। জিলাভিত্তিক তৰ্ক প্ৰতিযোগিতাত নিৰ্বাচিত প্ৰতিযোগীসকলে আন্তঃজাতীয় বিদ্যালয় তৰ্ক প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে আহোতে নিজৰ বিদ্যালয়ৰ পৰিচয়-পত্ৰ আৰু বিদ্যালয়ৰ মুৰব্বীৰ স্বাক্ষৰ সম্বলিত অনুমতি-পত্ৰ লগত অনাটো বাধ্যতামূলক। তদুপৰি জিলাভিত্তিক তৰ্ক প্ৰতিযোগিতাৰ ফলাফলৰ প্ৰতিলিপি (বিচাৰকৰ স্বাক্ষৰ সম্বলিত) প্ৰতিযোগীয়ে লগত অনাটো বাধ্যতামূলক।

৭। প্ৰতিগৰাকী প্ৰতিযোগীৰ লগত একোগৰাকী শিক্ষক প্ৰতিনিধি অহাটো বাধ্যতামূলক।

৮। দূৰণিবটীয়া জিলাসমূহৰ পৰা অহা নিৰ্বাচিত প্ৰতিযোগী দুগৰাকী আৰু তেওঁলোকৰ লগত অহা শিক্ষক প্ৰতিনিধি দুগৰাকীৰ অহা-যোৱাৰ খৰচ বহন কৰাৰ লগতে ৰাতি থকা-খোৱাৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। ৰাতি থাকিব বিচৰাসকলে আগতীয়াকৈ যোগাযোগ কৰিব লাগিব। যোগাযোগৰ নম্বৰ— ৯৮৬৪০৭৪৪৪১, ৯৮৬৪১১৪৮৫৩।

৯। আন্তঃজাতীয় বিদ্যালয় তৰ্ক প্ৰতিযোগিতাত অংশগ্ৰহণকাৰী শিক্ষাৰ্থীসকল প্ৰতিযোগিতাৰ দিনাখন পুৱা আঠ বজাত নুনমাটিস্থিত অসম জাতীয় বিদ্যালয়ৰ চৌহদত উপস্থিত হ'ব লাগিব। পুৱা ৮ বজাৰ পৰা প্ৰতিযোগীসকলৰ পঞ্জীয়ন আৰম্ভ হ'ব। পঞ্জীয়নৰ বাবে প্ৰতিযোগীসকলৰপৰা কোনো মাচুল আদায় লোৱা নহয়।

ঘনশ্যাম মেধি
(ঘনশ্যাম মেধি)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়